জাতিৰ আৱেগ সমাজৰ বিৱেক
# দৈনিক জনমভূমি
rtal : www.ja
৬৫ ● বৃহস্পতিবা

# জাৰ্মানীত আঠ ঘণ্টা কামৰ সময়ত কেৱল কামহে কৰে ঃ ছফ্‌টৱেৰ বিশেষজ্ঞ শাশ্বত কুমাৰ দাস

ডিব্ৰুগড় ঃ ষ্টাফ ৰিপৰ্টাৰ, ৫ এপ্ৰিল ঃ সময়ক শ্ৰদ্ধা আৰু সন্মান জনাব পৰা ক্ষমতা আহৰণ কৰিব পাৰিলেই সকলোৱে আগুৱাই যাব পাৰে। জাৰ্মানীত কৰ্মচাৰীসকলে ৮ ঘণ্টা কামৰ সময়ত কেৱল কামহে কৰে। সেই সময়ছোৱাৰ ভিতৰত কোনেও কাৰো সৈতে অযথা ফোনকল নকৰে, আনকি ব্যক্তিগত কথাও আলোচনা নকৰে, কোনেও আড্ডা দি সময় নষ্ট নকৰে। সকলো কৰ্মচাৰীয়ে সময়ক অতি উচ্চ স্থান দি সন্মান কৰে। জাৰ্মানীৰ বিশিষ্ট ছফ্‌টৱেৰ অভিযন্তা, অসমৰ সুসন্তান শাশ্বত কুমাৰ দাসে এইদৰে কয়। স্নেহবন্ধন, ডি এইচ এছ কানৈ মহাবিদ্যালয় আৰু নলবাৰীৰ এম এন চি বালিকা মহাবিদ্যালয়ৰ উদ্যোগত অনুষ্ঠিত 'জাৰ্মানীৰ কৰ্মসংস্কৃতি আৰু জীৱনবোধ' শীৰ্ষক এক আন্তঃৰাষ্ট্ৰীয় বক্তৃতানুষ্ঠানত মুখ্য বক্তা হিচাপে অংশগ্ৰহণ কৰি তেওঁ কয়, জাৰ্মানীত মানুহৰ জীৱনবোধ আন বহু দেশতকৈ উচ্চ খাপৰ। জাৰ্মানীত তেওঁ থকা সময়ছোৱাত কোনো দিনেই বিদ্যুৎ কৰ্তন, পানী যোগান আদি ব্যাহত হোৱা দেখা নাই। আৰক্ষীৰ ব্যৱহাৰ, আচৰণ প্ৰশংসনীয় বুলি উল্লেখ কৰি কয় যে জাৰ্মানীত কামৰ বিনিময়ত ঘোচ দিয়া বা লোৱা কোনো দিনেই শুনা নাই। জাৰ্মানীত মন্ত্ৰীৰ কনভয় কোনো দিনে দেখা নাই বুলি উল্লেখ কৰি কয়, আনকি জাৰ্মানীত দীৰ্ঘদিন ধৰি থকা সময়ছোৱাত কোনো মাতালৰ কাজিয়া-পেচাল শুনা নাই। কানৈ মহাবিদ্যালয়ৰ অধ্যাপিকা পিনাক্ষী কোঁৱৰে আঁত ধৰা অনুষ্ঠানত দাসে কয়, জাৰ্মানীত পথ দুৰ্ঘটনাও কম। সৰুৰে পৰা সন্তানক কেনেকৈ পথ অতিক্ৰম কৰিব লাগে, কেনেকৈ যান-বাহন আইন মানি চলিব লাগে, ৰাজহুৱা সম্পদক কিয় ভাল পোৱা উচিত, তেনে শিক্ষা দিয়া হয়। ছফ্‌টৱেৰ বিশেষজ্ঞ দাসে বিশেষভাৱে উল্লেখ কৰি কয়, বন্ধৰ দিনত জাৰ্মানত কোনেও কোনো শব্দ কৰিব নোৱাৰে। কোনোবাই তেনে শব্দ কৰিলে কঠোৰ আইনৰ যোগেদি ব্যৱস্থা গ্ৰহণ কৰা হয় বুলি উল্লেখ কৰে। জাৰ্মানীৰ নিৱাসী বিশিষ্ট আই টি বিশেষজ্ঞ শ্ৰীমন্ত ভূঞাই বক্তৃতানুষ্ঠানটি উদ্বোধন কৰি কয়, কঠোৰ পৰিশ্ৰম, শ্ৰমৰ মৰ্যাদা, শৃংখলা জীৱনবোধৰ বাবেই জাৰ্মান আজি পৃথিৱীৰ উন্নত দেশসমূহৰ ভিতৰত লেখত ল'বলগীয়া। 'স্নেহবন্ধন'ৰ উপ সভানেত্ৰী, স্কটলেণ্ডৰ নিৱাসী নিৰলা বৰুৱাই পৌৰোহিত্য কৰা বক্তৃতানুষ্ঠানত দাসে কয়, জাৰ্মানীত আনকি কুকুৰৰ ভুক্‌ভুকনিও কম। তেওঁৰ অভিজ্ঞতা সম্পৰ্কত কয় যে জাৰ্মানীত থকা দীৰ্ঘ সময়ছোৱাত মাথোঁ এদিনৰ বাবে ৩ ঘণ্টাৰ বাবে ইণ্টাৰনেট সেৱা ব্যাহত কৰা হৈছিল, তাকো সকলো গ্ৰাহকক কোম্পানীয়ে আগতীয়াকৈ জনাইছিল। পৃথিৱীৰ বিভিন্ন ঠাইৰ প্ৰায় ডেৰ শতাধিক অংশগ্ৰহণকাৰীয়ে ভাগ লোৱা অনুষ্ঠানৰ উদ্দেশ্য ব্যাখ্যা কৰে 'স্নেহবন্ধন'ৰ সাধাৰণ সম্পাদক, ডিব্ৰুগড় সাহিত্য সভাৰ সভাপতি, কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ, কৰ্মসূৰ্য ড° শশী কান্ত শইকীয়াই। প্ৰায় দুঘণ্টা সময় সকলোকে মন্ত্ৰমুগ্ধ কৰি ৰখা অনুষ্ঠানটিত 'স্নেহবন্ধন'ৰ সভানেত্ৰী, গ্ৰেট ব্ৰিটেইন লেষ্টাৰ নিৱাসী মঞ্জিৰা চৌধুৰী উপস্থিত থাকে। বক্তৃতানুষ্ঠানত 'স্নেহবন্ধন'ৰ উপদেষ্টা গ্ৰেট ব্ৰিটেইন নিৱাসী লাহৰী বৰঠাকুৰ, ইউ এছ টি এমৰ সম উপাচাৰ্য ড° বলেন্দ্ৰ কুমাৰ দাস, নেডাৰলেণ্ডৰ সৌৰভ কুমাৰ বৈদ্য, 'স্নেহবন্ধন'ৰ সহকাৰী সম্পাদক, দক্ষিণ আফ্ৰিকাৰ প্ৰিট'ৰিয়াৰ নিৱাসী বিশিষ্ট বিজ্ঞানী ড° মুকুট গোহাঁই, ছুইজাৰলেণ্ডৰ নিৱাসী চিকিৎসক, কবি ডেইজী লেখাৰু, 'স্নেহবন্ধন'ৰ কাৰ্যকৰী সভাপতি ড° যোগেন চন্দ্ৰ কলিতা, আমেৰিকা নিৱাসী ড° ভৰত বৰুৱা, সাংবাদিক পল্লৱ শৰ্মা, সাপতগ্ৰাম মহাবিদ্যালয়ৰ অধ্যক্ষ আৰ পি সিং, অধ্যাপক বুলজিৎ বুঢ়াগোহাঁই, এম এন চি বালিকা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° গাৰ্গী চক্ৰৱৰ্তীয়েও বক্তব্য আগবঢ়ায়। ইয়াৰ পূৰ্বে সমল ব্যক্তি শাশ্বত কুমাৰ দাসৰ পৰিচয় দাঙি ধৰে অধ্যাপক হৰজিন্দৰ সিঙে। শলাগৰ শৰাই আগবঢ়ায় এম এন চি বালিকা মহাবিদ্যালয়ৰ অধ্যাপিকা বন্তি হাজৰিকাই।

শিৱসাগৰ ঃ বিশেষ সংবাদদাতা, ৫ এপ্ৰিল ঃ অসম
জি পি সিঙে প্ৰশাসনিক পৰীক্ষাৰ লগতে অন্যান্য প্ৰ
শিক্ষাৰ্থীসকলৰ সহায়ক হোৱাকৈ আজি গড়গাঁও
যথেষ্ট সংখ্যক গ্ৰন্থসম্ভাৰ আগবঢ়ায়। আৰক্ষী সঞ্চা
গ্ৰন্থসম্ভাৰ দান কৰে শিৱসাগৰ জিলাৰ আৰক্ষী প্ৰধ
সঞ্চালক প্ৰধান জি পি সিঙৰ এই বদান্যতাৰ বাবে
সব্যসাচী মহন্তই তেওঁলৈ কৃতজ্ঞতা জ্ঞাপন কৰ
শিক্ষাৰ্থীসকলৰ বিদ্যায়তনিক যাত্ৰাত তথা কেৰিয়াৰ
সহায় কৰিব বুলি আশা প্ৰকাশ কৰে। এই
মহাবিদ্যালয়ৰ অভ্যন্তৰীণ মান নিৰূপণ কোষৰ সম
মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক ড° পংকজ নাথ আৰু
অধ্যাপিকা, কৰ্মচাৰী আদি উপস্থিত থাকে।

## কৃষক শ্ৰমিক সু

# বিমলাপুৰ-ঐতি

বৰহাট ঃ নিজা প্ৰতিবেদক, ৫ এপ্ৰিল ঃ চৰাইদে
লোক নিৰ্মাণ বিভাগৰ অধীনত ২০২২-২৩বৰ্ষ
পকীপথ নিৰ্মাণ আঁচনিত বিসংগতিৰ অভিযোগ
কৃষক শ্ৰমিক সুৰক্ষা সংগ্ৰাম সমিতিৰ চৰাইদেউ
উল্লেখযোগ্য যে চৰাইদেউ জিলাৰ সোণাৰি সমষ্টি
পঞ্চায়তৰ অন্তৰ্গত ঐতিহাসিক বিমলাপুৰ তিনিআ
লাহদৈগড় আলি সংযোগী প্ৰায় চাৰি কিল'মিটা
নিৰ্মাণত দায়িত্বপ্ৰাপ্ত ঠিকাদাৰে ব্যাপক বিসংগ
কৰাৰ এক গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। উ
দায়িত্ব লাভ কৰা ঠিকাদাৰে অতি বিসংগতি
পথছোৱা নিৰ্মাণ কৰাত ঠিকাদাৰক অতি অচি
কৰিবলৈ গুৱাহাটীৰ মুখ্য অভিযন্তাক স্মাৰক-প
সমিতিয়ে। কৃষক শ্ৰমিক সুৰক্ষা সংগ্ৰাম সমিতিৰ

